# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 28-05 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES

::::::::::::::::::::

লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাত নিৰ্বাচন হ'বলগীয়া সমষ্টিসমূহত প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে নিৰ্বাচনী সভা তথা ৰোড শ্বৰ জৰিয়তে ভোটদাতাক আকৰ্ষণ কৰিবলৈ আপ্ৰাণ প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঝাৰখণ্ডৰ ডুমকা বিমানবন্দৰৰ খেলপথাৰত এখন নিৰ্বাচনী সভাক সম্বোধন কৰিব। বিজয় সংকল্প যাত্ৰাৰ অংশ হিচাপে সংসদীয় সমষ্টিটোৰ পৰা বিজেপিৰ হৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা সীতা ছ'ৰেনৰ সমৰ্থনত এই সভাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, প্ৰাৰ্থীগৰাকী হৈছে ঝাৰখণ্ড মুক্তি মৰ্চাৰ মুৰব্বী শিবু ছ'ৰেনৰ বোৱাৰীয়েক।

এটা সংবাদ গোষ্ঠীত দিয়া সাক্ষাৎকাৰত কালি শ্ৰীমোদীয়ে কয় যে, আত্মনিৰ্ভৰ ভাৰত উদ্যমৰ অধীনত দেশৰ থলুৱা প্ৰতিভাক বিকাশ কৰাৰ লগতে নিয়োগ বৃদ্ধি কৰিবলৈ চেষ্টা চলোৱা হৈছে। তেওঁ কয় যে, চৰকাৰে দেশক অগ্ৰাধিকাৰ দি প্ৰতিটো সিদ্ধান্ত লৈ আহিছে।

ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কাইলৈ দেওঘৰত ৩খন নিৰ্বাচনী সভাত ভাগ ল'ব। আনহাতে জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়েও সমষ্টিটোত পৰহিলৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ কথা আছে।

লোকসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ত অহা ১ জুনত ঝাৰখণ্ডৰ গোড্ডা, ডুমকা আৰু ছাহিবগঞ্জত ভোটগ্ৰহণ কৰা হ'ব। ২০১৯ চনৰ লোকসভা নিৰ্বাচনত ঝাৰখণ্ড মুক্তি মৰ্চাই ছাহিবগঞ্জত জয়লাভ কৰিছিল।

কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধীয়ে কালি হিমাচল প্ৰদেশৰ চাম্বা আৰু ছাহপুৰ সংসদীয় সমষ্টিত দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাত শ্ৰীমতী গান্ধীয়ে সমগ্ৰ দেশতে জনসাধাৰণে মুদ্ৰাস্ফীতিৰ বিৰুদ্ধে যুঁজ দিয়াৰ উপৰি নিবনুৱাৰ সংখ্যা বৃদ্ধি পোৱা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে, আই এন ডি আই মিত্ৰজোঁটে মহালক্ষ্মী আঁচনিৰ জৰিয়তে দুখীয়া পৰিয়ালৰ মহিলাসকলৰ সৱলীকৰণৰ হকে কাম কৰিব।

ooooo

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কলকাতালৈ যাব। তাত তেওঁ বাৰাছাট, যাদৱপুৰ আৰু উত্তৰ কলকাতা লোকসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি বিয়লি বাৰাছাট সংসদীয় সমষ্টিত এখন জনসভাক সম্বোধন কৰিব। ইয়াৰ পাছত তেওঁ যাদৱপুৰত আন এখন সভাত অংশগ্ৰহণ কৰাৰ উপৰি উত্তৰ কলকাতা লোকসভা সমষ্টিত এটা ৰোড শ্ব'ত ভাগ ল'ব। শ্যামবজাৰৰ পৰা আৰম্ভ হ'বলগীয়া এই ৰোড শ্বৰ স্বামী বিবেকানন্দনৰ পৈত্ৰিক গৃহৰ সমীপত অন্ত পৰিব।

০০০০০

আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে কালি তেওঁৰ অন্তৰ্বৰ্তীকালীন জামিনৰ ম্যাদ ৭ দিনলৈ বৃদ্ধি কৰাৰ বাবে উচ্চতম ন্যায়ালয়ক অনুৰোধ জনাইছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত শ্ৰীকেজৰিৱালে কয় যে, চিকিৎসকে কিছু জটিল ৰোগৰ আশংকাত তেওঁক কেইবাটাও স্বাস্থ্য পৰীক্ষা কৰোৱাবলৈ পৰামৰ্শ দিছে। তেওঁ কয় যে, তেওঁ ন্যায়ালয়ক অন্তৰ্বৰ্তীকালীন জামিৰ ম্যাদ বৃদ্ধি কৰিবলৈ অনুৰোধ জনাইছে যাতে এসপ্তাহৰ ভিতৰতে তেওঁ সকলোবোৰ স্বাস্থ্য পৰীক্ষা কৰাই ল'ব পাৰে।

ইপিনে কেজৰিৱালে উচ্চতম ন্যায়ালয়ক জনোৱা এই অনুৰোধক সমালোচনা কৰি বিজেপিয়ে এইবুলি কৈছে যে কেজৰিৱাল যাতে পুনৰ কাৰাগাৰলৈ ঘূৰি যাবলগীয়া নহয়, তাৰ বাবেই তেওঁ এইবোৰ অজুহাত উলিয়াই আছে। দিল্লী বিজেপিৰ মুৰব্বী বীৰেন্দ্ৰ সচদেৱাই শ্ৰীকেজৰিৱালক এইবুলি প্ৰশ্ন কৰিছে যে, যদিহে তেওঁ জটিল স্বাস্থ্যজনিত সমস্যাৰ সন্মুখীন হৈছে, তেন্তে তেওঁ কিয় তিনিদিনীয়া প্ৰচাৰ কাৰ্যসূচীৰে পাটনালৈ গৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গিতানছ নৌছেডাক লিথুৱানিয়াৰ ৰাষ্ট্ৰপতি হিচাপে পুনৰ বাৰ নিৰ্বাচিত হোৱাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে ভাৰত আৰু লিথুৱানিয়াৰ মাজৰ সহযোগিতা তৰান্বিত কৰাৰ বাবে একেলগে কাম কৰিবলৈ আগ্ৰহেৰে বাট চাই আছে বুলি প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য সচিব অপূৰ্ব চন্দ্ৰাই কৈছে যে, ভাৰতৰ প্ৰধান প্ৰমূল্য আৰু বসুধৈৱ কুটুম্বকম অৱধাৰণা, বিশ্ব স্বাস্থ্য সভা- WHAৰ বিষয়বস্তু **স্বাস্থ্যৰ বাবে সকলো, সকলোৰে বাবে স্বাস্থ্য**ৰ অনুৰূপ। ছুইজাৰলেণ্ডৰ জেনেভাত অনুষ্ঠিত বিশ্ব স্বাস্থ্য সভাৰ কমিটি-Aক সম্বোধন কৰি শ্ৰীচন্দ্ৰাই কয় যে, ভাৰতে ক'ভিড-১৯ মহামাৰীৰ সময়ত সমগ্ৰ বিশ্বক সহায় কৰি **এখন বিশ্ব, এটা পৰিয়াল**ৰ ধাৰণা সাকাৰ ৰূপ দিছে।

বিশ্ব স্বাস্থ্য সভা- WHAত তিনিখন মূল কমিটিৰ সত্ৰ আছে আৰু সেইসমূহ হৈছে - পূৰ্ণাংগ, কমিটি-A আৰু কমিটি-B। স্বাস্থ্য মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে, ভাৰতে কমিটি-Aৰ অধ্যক্ষা কৰিব আৰু জনস্বাস্থ্যৰ জৰুৰীকালীন প্ৰস্তুতি তথা সঁহাৰি, জলবায়ু পৰিৱৰ্তন আৰু বিশ্ব স্বাস্থ্য সংস্থাৰ বাবে স্থায়ী বিত্তীয় যোগান আদিকে ধৰি বিভিন্ন কাৰ্যসূচী সম্বন্ধীয় বিষয় লৈ আলোচনাৰ সুবিধা প্ৰদান কৰিব।

০০০০০

বতৰ বিজ্ঞান বিভাগে অহা ৩০ মে' পৰ্যন্ত পাঞ্জাব, হাৰিয়ানা আৰু চণ্ডিগড়ত উৎকট গৰম তথা গ্ৰীষ্ম প্ৰবাহৰ সতৰ্কবাণী জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি দক্ষিণ আৰু পশ্চিম পাঞ্জাব তথা হাৰিয়ানাৰ কোনো কোনো অংশত তাপমাত্ৰা ২ৰ পৰা ৩ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত বৃদ্ধি হৈ ৪৫ৰ পৰা ৪৭ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত হ'ব পাৰে। একেদৰে হাৰিয়ানাৰ উত্তৰ অংশ আৰু চণ্ডিগড়কে ধৰি পাঞ্জাবৰ তাপমাত্ৰা ৪৩ৰ পৰা ৪৫ ডিগ্ৰী চেলছিয়াছৰ ভিতৰত থাকিব বুলি বিভাগে প্ৰকাশ কৰিছে।

গ্ৰীষ্ম প্ৰবাহৰ প্ৰতি লক্ষ্য ৰাখি হাৰিয়ানাত অহা ৩০ জুন পৰ্যন্ত বালবাতিকাৰ পৰা দ্বাদশ শ্ৰেণীলৈ গ্ৰীষ্ম বন্ধ ঘোষণা কৰা হৈছে। এই নিৰ্দেশনা সকলোবোৰ চৰকাৰী তথা ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ বাবে প্ৰযোজ্য

হ'ব। ৰাজ্যখনৰ বিদ্যালয় শিক্ষা সঞ্চালকালয়ে জাৰি কৰা এই নিৰ্দেশনা অমান্য কৰা শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

ইপিনে বতৰ বিজ্ঞান বিভাগে চলিত বৰ্ষৰ জুনৰ পৰা ছেপ্তেম্বৰলৈ দেশৰ অধিকাংশত স্বাভাৱিকতকৈ অধিক পৰিমাণৰ বৰষুণ হ'ব বুলি আগলি বতৰা প্ৰকাশ কৰিছে। বিভাগৰ সঞ্চালক প্ৰধান ড০ মৃত্যুঞ্জয় মহাপাত্ৰই জানিবলৈ দিয়া মতে দক্ষিণ পশ্চিম মৌচুমী বতাহৰ ফলত মধ্য তথা দক্ষিণ ভাৰতত স্বাভাৱিকতকৈ অধিক বৰষুণ হোৱাৰ বিপৰীতে পশ্চিম ভাৰতত স্বাভাৱিক পৰিমাণৰ বৰষুণ হ'ব। অৱশ্যে উত্তৰ পূৰ্বাঞ্চলত স্বাভাৱিকতকৈ কম পৰিমাণৰ বৰষুণ হ'ব পাৰে বুলিও তেওঁ জানিবলৈ দিয়ে। ইপিনে জুনত সমগ্ৰ দেশতে স্বাভাৱিক পৰিমাণৰ বৰষুণ হোৱাৰ আগলি বতৰা পোৱা গৈছে।

ড০ মহাপাত্ৰই লগতে কয় যে, কেৰালা আৰু উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত আজিৰে পৰা অহা ৪ দিনলৈ মৌচুমী বতাহৰ ফলত বাৰিষাকালৰ আৰম্ভণি হোৱাৰ সম্ভাৱনা দেখা গৈছে। মৌচুমী বায়ু ইতিমধ্যে আৰব সাগৰৰ কিছু অংশৰ লগতে বংগোপ সাগৰৰ দক্ষিণ, পূব, পশ্চিম, মধ্য আৰু উত্তৰ-পূব অংশলৈ অগ্ৰসৰ হোৱা বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব পেৰা এথলেটিকছ্ চেম্পিয়নশ্বিপত ভাৰতীয় খেলুৱৈসকলৰ প্ৰদৰ্শনক লৈ সন্তোষ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত লিখা এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, মাত্ৰ ৭টা বছৰত ৩৬ সংখ্যক স্থানৰ পৰা ষষ্ঠ স্থানলৈ উন্নীত হ'বলৈ ভাৰতীয় খেলুৱৈসকলে চলিত বৰ্ষৰ প্ৰতিযোগিতাত ১৭টা পদক জয় কৰে। এই উল্লেখযোগ্য সাফল্যৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে খেলুৱৈসকলক তথা তেওঁলোকৰ সৈতে জড়িত আটাইকে অভিনন্দন জ্ঞাপন কৰে। শ্ৰীমোদীয়ে কয় যে, খেলুৱৈসকলৰ নিষ্ঠা আৰু অধ্যৱসায় সঁচাকৈয়ে প্ৰেৰণাদায়ক আৰু ই দৃঢ়তা আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে অৰ্জন কৰা সাফল্য সমগ্ৰ বিশ্বৰ আগত দাঙি ধৰিছে।

০০০০০

ভাৰতৰ ৰোহন বোপান্না আৰু য়ুকি ভাম্ব্ৰী আজি ফ্ৰান্সৰ পেৰিছত হ'বলগীয়া ফ্ৰেন্স অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ প্ৰথম ৰাউণ্ডৰ খেলত অৱতীৰ্ণ হ'ব। দ্বিতীয় বাছনিপ্ৰাপ্ত বোপান্না আৰু অষ্ট্ৰেলিয়াৰ মেথিউ এবডেনৰ যুঁটীটো প্ৰথম ৰাউণ্ডত ফিনলেণ্ডৰ ইমিল ৰুছুভ'ৰী আৰু হাংগেৰীৰ মাৰ্টন ফুকছ'ভিক্সৰ মুখামুখী হোৱাৰ বিপৰীতে য়ুকি ভাম্ব্ৰী আৰু ফ্ৰান্সৰ আলবান' অলিভেট্টিৰ যুঁটীটো ৰাছিয়াৰ ৰোমান ছাফিউলিন আৰু অষ্ট্ৰেলিয়াৰ জন পিয়াৰছ যুঁটীটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

অৱশ্যে ভাৰতৰ সুমীত নাগল কালি প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডত ৰাছিয়াৰ কাৰেন খাছান'ভৰ বিৰুদ্ধে  ২-৬, ০-৬, ৬-৭ ছেটত পৰাস্ত হয়।

০০০০০

অল ইণ্ডিয়া ফুটবল ফেডাৰেচনে কালি উজবেকিস্তানৰ বিৰুদ্ধে দুখন আন্তঃৰাষ্ট্ৰীয় বন্ধুত্বপূৰ্ণ খেলত অংশ ল'বলগীয়া ভাৰতীয় জ্যেষ্ঠ মহিলা দলটোৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। ২৩ জনীয়া দলটোত ৩ গৰাকী গলকিপাৰ, ৮ গৰাকী ডিফেণ্ডাৰ, ৮ গৰাকী মিড ফিল্ডাৰ আৰু ৪ গৰাকী ফৰৱাৰ্ড খেলুৱৈক স্থান দিয়া হৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰাক্তন খেলুৱৈ লাংগাম চাওবা দেৱীক দলৰ মুখ্য প্ৰশিক্ষক হিচাপে ঘোষণা কৰা হৈছে।

ভাৰতীয় দলটো উজবেকিস্তানৰ বিৰুদ্ধে অহা শুকুৰবাৰে প্ৰথমখন আৰু ৪ জুনত দ্বিতীয়খন খেলত অৱতীৰ্ণ হ'ব। দুয়োখন খেল উজবেকিস্তানৰ ৰাজধানী টাছকাণ্টত অনুষ্ঠিত হ'ব। ভাৰতীয় দলটো কাইলৈ উজবেকিস্তানলৈ ৰাওনা হ'ব।

ooooo

সমাপ্ত